# ডাষ্টবিন
## জুবিন গাৰ্গ

মোৰ কাম চাফা কৰা
মোৰ পঢ়া-শুনা নাই
পঢ়িবলৈ মনো নাই
বৰষুণত নাচোঁ
ৰ'দত খেলোঁ
মজ্জা... লাইফ!

মানুহে গালি পাৰে
মই বোলে ডেন্ড্ৰাইট খাওঁ
আৰে!
বেলেগে মদ খায়
ভাং খায়
কোকেইন খায়
পইচা আছে
আমি কি খাম?

মোৰ girlfriend ষ্টেচনত থাকে
মই ৰাতি ৰাতি যাওঁ
তাইক লগ পাওঁ
এদিন জুবিন গাৰ্গক লৈ গৈছিলোঁ তাইক দেখুৱাবলৈ
তাই নাহিল

পৃথিৱীখন বৰ complicated
ষ্টেচনটোৰ সিপাৰেই মোৰ ঘৰ
ৰাতি যেতিয়া দেউতাই মোৰ পিঠি দুফাল কৰি থাকে
মোৰ কামিহাড়কেইডালে কয়ঃ
" বাপেৰৰ মূৰটো কৰি আছ ইমানদিনে
পিঠিখনেই চিধা কৰিব নোৱাৰিলি!"

তাইক মই বৰ ভাল পাওং
তাই ষ্টেচনত ভাং বেচে ৰাতি
আৰে! লাগিলে মই বেচিম!
এনেকে বিয়া পাতিব নোৱাৰিতো!

মোৰ এতিয়া আঠ বছৰ
তাইৰ চৈধ্য বছৰ
বয়সৰো কথা আছে নহয়!
নাজানো আৰু ডাঙৰ হ'লে কি হওঁ
কিন্তু চাফা কৰি যাম

মই চেলিম...